জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**নং ঃ ৩৩৪/২০২১**

ব্ৰহ্মপুত্ৰ দীপোৎসৱত অংশগ্ৰহণ কৰিলে মুখ্যমন্ত্ৰীয়ে

# প্ৰাকৃতিক প্ৰৱহনক বাধা নিদিয়াকৈ ব্ৰহ্মপুত্ৰক অৰ্থনৈতিক বিকাশৰ এক উপাদান হিচাপে গঢ়ি তুলিব লাগিব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ৩ নৱেম্বৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি গুৱাহাটী পৌৰ নিগমে মহাবাহু ব্ৰহ্মপুত্ৰ ঐতিহ্য কেন্দ্ৰত আয়োজন কৰা 'ব্ৰহ্মপুত্ৰ দীপোৎসৱ'ত অংশগ্ৰহণ কৰি কয় যে ব্ৰহ্মপুত্ৰ অকল সাহিত্য-সংস্কৃতিৰ উপাদানতে সীমাৱদ্ধ নাৰাখি প্ৰাকৃতিক প্ৰৱহন ৰুদ্ধ নকৰাকৈ অৰ্থনৈতিক দিশলৈও সম্ভাৱনীয়তা কঢ়িয়াই অনা বিষয়টোত গুৰুত্ব আৰোপ কৰিব লাগিব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে 'মন কি বাত' অনুষ্ঠানৰ জৰিয়তে নদী উৎসৱ পালন কৰিবলৈ আহ্বান জনাইছিল। কেৱল আধ্যাত্মিক দিশেৰেই নহয়, জলবায়ু পৰিৱৰ্তনৰ প্ৰেক্ষাপটত প্ৰধানমন্ত্ৰীয়ে এই আহ্বান জনাইছিল বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে জলবায়ু পৰিৱৰ্তনৰ প্ৰভাৱ আমাৰ ৰাজ্যখনতো পৰিছে। সেইবাবেই প্ৰাকৃতিক সম্পদৰাজি সুৰক্ষিতকৰণৰ জৰিয়তে আমি জলাবায়ু পৰিৱৰ্তন ৰোধৰ দিশত ইতিবাচক ভূমিকা গ্ৰহণ কৰিব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে কয় যে নমামী ব্ৰহ্মপুত্ৰ, নমামী বৰাক অনুষ্ঠান আয়োজনৰ জৰিয়তে নদী সভ্যতাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছিল। নদীৰ গুৰুত্ব আৰু মহত্ব সম্পৰ্কত বিভিন্ন দিশ জনসাধাৰণৰ মাজলৈ লৈ যোৱা হৈছিল বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে কয় যে বন সুৰক্ষাৰ জৰিয়তে আমি আমাৰ পাৰিপাৰ্শ্বিকতা অক্ষুণ্ণ ৰখাৰ লগতে জলবায়ু পৰিৱৰ্তন ৰোধ কৰিব লাগিব। তেওঁ লগতে কয় যে গুৱাহাটীত ব্ৰহ্মপুত্ৰৰ পাৰৰ সৌন্দৰ্যবৰ্দ্ধনৰ বাবে ৰাজ্য চৰকাৰে প্ৰয়াস চলাইছে। অহা দুবছৰৰ ভিতৰত ব্ৰহ্মপুত্ৰ ৰিভাৰ ফ্ৰণ্ট ডেভেলেমেণ্টৰ ক্ষেত্ৰত এটা নতুন পৰিৱৰ্তন আহিব বুলিও তেওঁ কয়।

অতিৰিক্ত মুখ্য সচিব মণিন্দৰ সিঙে আদৰণী ভাষণ প্ৰদান কৰা আজিৰ এই অনুষ্ঠানত গুৱাহাটী উন্নয়ন, গৃহ উন্নয়ন আৰু নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী অশোক সিংহালেও ভাষণ প্ৰদান কৰে। অনুষ্ঠানত পৰিবহন, উদ্যোগ আৰু বাণিজ্য বিভাগৰ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, সাংসদ কুইন ওজা, শিক্ষা বিভাগৰ উপদেষ্টা ডাঃ ননীগোপাল মহন্ত, জি এম ডি এৰ উপাধ্যক্ষ মুকুতা ডেকা প্ৰমুখ্যে গণ্য-মান্য ব্যক্তিসকল উপস্থিত আছিল।

**পুঃডেঃ**
**৩-১১-২০২১**